**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-04-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা ৰাষ্ট্ৰক উদ্দেশি ভাষণ দিয়ে। শ্ৰীমোদীয়ে নিজৰ ভাষণত এন ডি এ চৰকাৰৰ প্ৰয়াস সত্তেও সংশোধিত নাৰী শক্তি বন্দন অধীনিয়ম সংসদত গৃহীত নোহোৱাৰ বাবে দেশৰ মহিলাসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। তেওঁ কয়, যে বিজেপিয়ে দেশৰ হিতক অগ্ৰাধিকাৰ দিয়াৰ  বিপৰীতে বহু ৰাজনৈতিক দলে দলৰ হিতক অগ্ৰাধিকাৰ দি বিষয়টোক  ৰাজনীতিকৰণ কৰিবলৈ অপচেষ্টা কৰাৰ ফলত মহিলাসকল সুযোগৰ পৰা বঞ্চিত হৈছে। কালিৰ দিনটোত দেশৰ কোটি কোটি মহিলাই সংসদৰ কাম-কাজৰ ওপৰত আশাৰে দৃষ্টি নিবদ্ধ কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিৰোধী কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টীকে ধৰি দলসমূহে মহিলাসকলৰ অধিকাৰৰ সৈতে জড়িত এই গুৰুত্বপূৰ্ণ বিষয়টো গুৰুত্বহীন কৰি তোলাই নহয় তেওঁলোকৰ স্বাভিমানতো আঘাত হানিছে। একবিংশ শতিকাৰ নাৰীয়ে দেশৰ সকলো ঘটনাপ্ৰবাহ গুৰুত্ব সহকাৰে লক্ষ্য কৰে আৰু সত্যৰ  বিষয়ে তেওঁলোক অৱগত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। বিৰোধী দলসমূহে সংসদ আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ লক্ষ্যৰে এই বিধেয়ক গৃহীত কৰাত সমৰ্থন নজনাই সংবিধানৰ প্ৰতিও অপমান কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে পঞ্চায়ত আৰু স্থানীয় নিকায়সমূহত নিজৰ ক্ষমতা আৰু সামৰ্থক প্ৰতিপন্ন কৰা মহিলাসকল লোকসভা নাইবা বিধানসভালৈ গলে পৰিয়ালকেন্দ্ৰীক ৰাজনীতিত লিপ্ত হোৱা দলসমূহে সুৰক্ষাহীনতাত ভোগে বুলি অভিযোগ তোলে। উল্লেখযোগ্য যে লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ সৈতে জড়িত সংবিধান সংশোধনী বিধেয়ক বিৰোধী পক্ষৰ দলসমূহৰ সমৰ্থন লাভ নকৰাৰ বাবে দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতাৰে গৃহীত নোহোৱাৰ পিছদিনাই আজি প্ৰধানমন্ত্ৰীগৰাকীয়ে দিয়া এই ভাষণ বিশেষ তাৎপৰ্যপূৰ্ণৰূপে বিবেচিত হৈছে। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ মাধ্যমেৰে মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থা বলৱৎকৰণৰ সৈতে জড়িত প্ৰস্তাৱিত বিধেয়কখনে দীঘলীয়া বিতৰ্কৰ অন্তত সদনৰ অনুমোদন লাভ কৰাত ব্যৰ্থ হয়।

০০০০

চিৰাং জিলাৰ ৰুণীখাটাত কালি সংঘটিত হিংসাত্মক ঘটনাৰ পাছত আজি অঞ্চলটোৰ পৰিস্থিতি নিয়ন্ত্ৰণত আছে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহন লাল মিনাই প্ৰকাশ কৰা মতে, এই ঘটনাত জড়িত ১৫ জন লোকক আটক কৰা হৈছে। পৰিস্থিতি স্বাভাৱিক হোৱাৰ লগে লগে ইণ্টাৰনেট সেৱা পুনৰ বাহাল কৰা হ'ব বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। আজি বিটিআৰৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে অঞ্চলটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। জিলা প্ৰশাসনে নিয়োগ কৰা ৰেপিড একচন ফোৰ্চে আজি ৰুণিখাটাত তহল দি আছে।

ৰুণীখাটাৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰাৰ অভিযোগত বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কেইবাজনো লোকক আটক কৰি অনা ঘটনাৰ পৰিপ্ৰেক্ষিতত কালি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। আটক কৰা লোকসকলক

মোকলাই দিয়াৰ দাবীৰে একাংশ লোক বন বিভাগৰ কাৰ্যালয়ত সমবেত হৈ কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি বন বিভাগৰ লোকে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোতে কেইবাগৰাকীও মহিলা কম-বেছি পৰিমাণে আহত হয়। ইয়াৰ পাছতে প্ৰতিবাদকাৰীসকল অধিক উত্তেজিত হৈ কাৰ্যালয়ৰ চৰকাৰী গাড়ীৰ লগতে কৰ্মচাৰীৰ গাড়ীতো অগ্নিসংযোগ কৰে। প্ৰতিবাদকাৰীসকলে ১২৭ নম্বৰ ভাৰত-ভূটান সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰিব লগা হয়।

০০০০

মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ আজি ৪২৮ সংখ্যক পবিত্ৰ তিৰোভাৱ তিথি ৰাজ্যজুৰি পালন কৰা হৈছে। এই উপলক্ষে মহাপুৰুষজনাৰ লগতে তেওঁৰ শিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহত পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। পাটবাউসী সত্ৰৰ প্ৰতিষ্ঠাপক তথা একশৰণ নামধৰ্মৰ প্ৰচাৰক শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উদ্দেশ্যে আজি পুৱাৰে পৰা তেওঁৰ শিষ্যসকলে কৰভাৰ লৈ সত্ৰখনলৈ আহে।

মাজুলীৰ শ্ৰীশ্ৰীআউনীআটি সত্ৰটো মহাপুৰুষগৰাকীৰ তিৰোভাৱ তিথি ধৰ্মীয় পৰম্পৰাৰে পালন কৰা হয়। পুৱাৰে পৰা সত্ৰখনত নৈমিত্তিক নাম প্ৰসংগৰ লগতে বিশেষ প্ৰসংগৰো আয়োজন কৰা হয়। ইয়াৰ লগতে সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ পৃষ্ঠপোষকতাত গুৱাহাটীৰ এটি নাগাৰা নাম দলে তিথি উপলক্ষে নাম পৰিবেশন কৰে। ইয়াৰ লগতে ২০১২ চনৰ পৰা দামোদৰদেৱ ন্যাস সমিতিয়ে প্ৰদান কৰি অহা দামোদৰদেৱ বঁটা ২০২৬ যোৰহাটৰ নিৱন্ধকাৰ, সমালোচক দীপক শইকীয়াক প্ৰদান কৰা হয়।

সত্ৰখনত তিথি পালনৰ বিতং তথ্যৰ সৈতে এয়া সত্ৰৰ বঁটা ন্যাস সমিতিৰ বিষয়ববীয়া তুলসী ৰাজখোৱা।

বাইট-তুলসী ৰাজখোৱা

০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত মোবাইল ইণ্টাৰনেট সেৱা বন্ধ ৰখাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গৃহ বিভাগে যোৱা ৭ এপ্ৰিলৰ পৰা জিলাকেইখনত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত দেলহী কেপিটেলছে - ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেট পৰাস্ত কৰে।

বাংগালুৰুয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৯ অভাৰ ৫ টা বলত ৪ টা উইকেটৰ বিনিময়ত লক্ষ্য অতিক্ৰম কৰে।

ইপিনে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে-চেন্নাই ছুপাৰ কিংছক জয়ৰ বাবে ১৯৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছক জিকি চেন্নাইয়ে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৯ টা উইকেটৰ বিনিময়ত ১৯৪ ৰান সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ